**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-07-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**:::::::::::::::::::::::::::::::::::::::::::::**

১। বিৰোধী পক্ষৰ সাংসদসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিৱেশৰ বাবে আজি সংসদৰ উভয় সদনৰ কাৰ্যক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়।

২। উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰা হৈছে।

৩। প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰৰ বাবে মনোনয়ন দাখিলৰ সময়সীমা ১৫ আগষ্টলৈ বৃদ্ধি কৰা হৈছে।

৪। বাংলাদেশৰ ৰাজধানী ঢাকাৰ মাইলষ্টন বিদ্যালয় ভৱনত সেনাবাহিনীৰ এখন বিমানে খুন্দা মৰাৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ৩১ লৈ বৃদ্ধি পাইছে। ***আৰু***

৫। ভাৰতৰ মহিলা ক্ৰিকেট দল সম্প্ৰতি ছেষ্টৰ লী ষ্ট্ৰীটত চলিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত ঘৰুৱা দল ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০

বিৰোধী পক্ষৰ সাংসদসকলে অপাৰেছন সিন্দূৰ আৰু বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধনকে ধৰি বিভিন্ন বিষয়ক লৈ আলোচনাৰ দাবীক লৈ সৃষ্টি কৰা হুলস্থূলীয়া পৰিৱেশৰ বাবে আজি লোকসভা আৰু ৰাজ্যসভাৰ কাৰ্যক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। কাম-কাজ দ্বিতীয়বাৰৰ বাবে স্থগিত ৰখাৰ পাছত দিনৰ দুই বজাত সদন মিলিত হোৱাৰ সময়ত বিৰোধী পক্ষৰ সাংসদসকলে তেওঁলোকৰ দাবীৰ সমৰ্থনত পুনৰ ধ্বনি দিবলৈ ধৰে। অধ্যক্ষই সাংসদসকলক নিজ নিজ আসনলৈ ঘুৰি যাবলৈ আৰু সদনৰ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াত সহযোগ কৰিবলৈ আহ্বান জনায়। বিষয়সমূহক লৈ আলোচনা হ'ব বুলি অধ্যক্ষই সাংসদসকলক আশ্বাস দিয়ে। ইয়াৰ মাজতে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে সদনৰ কাম-কাজ ব্যাহত কৰা কাৰ্যক গৰিহণা দিয়ে আৰু বিৰোধী পক্ষৰ সদস্যসকলে আলোচনা নিবিচাৰে বুলি অভিযোগ তোলে। তেওঁ কয়, যে কালি অনুষ্ঠিত কাৰ্যক্ৰমণিকা উপদেষ্টা কমিটিৰ বৈঠকত অপাৰেছন সিন্দূৰ সন্দৰ্ভত আলোচনা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। বিৰোধী পক্ষৰ অভিপ্ৰায়ক লৈ প্ৰশ্ন তুলি শ্ৰীৰিজিজুৱে কয়, যে চৰকাৰ আলোচনাৰ বাবে সাজু আছে যদিও তেওঁলোকে কাম-কাজ বিঘ্নিত হোৱাটোহে বিচাৰে। অধ্যক্ষই বাৰে বাৰে অনুৰোধ জনোৱা সত্বেও বিৰোধী পক্ষৰ সাংসদসকলে নিজ নিজ দাবীৰ সমৰ্থনত ধ্বনি দি থাকে আৰু সদনৰ মজিয়ালৈ উঠি যায়। অচলাৱস্থা অব্যাহত থকাত অধ্যক্ষই সদনৰ কাম কাজ দিনটোৰ বাবে স্থগিত ৰখাৰ কথা ঘোষণা কৰে। ইয়াৰ পূৰ্বে প্ৰথমবাৰ কাৰ্যক্ৰমণিকা স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত নিম্ন সদন পুনৰ মিলিত হোৱাৰ সময়ত বিৰোধীপক্ষৰ সাংসদসকলে বিভিন্ন বিষয় সন্দৰ্ভত আলোচনাৰ বাবে দাবী জনাই পুনৰ ধ্বনি দিবলৈ আৰম্ভ কৰে আৰু সদনৰ মজিয়ালৈ উঠি যায়। সেই সময়ত সদন

পৰিচালনাৰ দায়িত্বত থকা জগদম্বিকা পালে বিৰোধী পক্ষৰ সাংসদসকলক কাম-কাজ চলাই নিয়াত সহযোগিতা কৰিবলৈ অনুৰোধ জনায় যদিও সাংসদসকলে তেওঁৰ অনুৰোধৰ প্ৰতি কানসাৰ নিদিয়ে।

সংসদীয় পৰিক্ৰমা ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালেও সদনৰ কামকাজ চলাই নিয়াত সহযোগ কৰিবলৈ অনুৰোধ জনায়। তেওঁ কয়, যে সদন পৰিচালন্যৰ নিয়ম অনুসৰি সকলো বিষয় লৈ আলোচনা কৰিবলৈ চৰকাৰ সাজু। ইয়াৰ মাজতে অধ্যক্ষই অপাৰেছন সিন্দূৰ সন্দৰ্ভত আলোচনা কৰিবলৈ চৰকাৰ সাজু আৰু এই আলোচনাৰ বাবে ১৬ ঘণ্টা নিৰ্ধাৰণ কৰা হৈছে বুলি উল্লেখ কৰে। তাৰ পাছতো পৰিস্থিতি উন্নত নোহোৱাত অধ্যক্ষই সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰাখে। ইয়াৰ আগেয়ে দিনৰ এঘাৰ বজাত লোকসভা মিলিত হোৱাৰ সময়ত বিৰোধী পক্ষৰ সদস্যসকলে বিভিন্ন বিষয় লৈ সদন উত্তাল কৰি তোলে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই বিৰোধী পক্ষৰ সাংসদসকলক প্ৰশ্নকাল চলাই নিবলৈ আহ্বান জনায়। কৃষি আৰু কৃষক কল্যান মন্ত্ৰী শিৱৰাজ চৌহানেও একেধৰণৰ মত প্ৰকাশ কৰি প্ৰতিবাদৰত সদস্যসকলক কাম-কাজ চলাই নিয়াত সহযোগ কৰিবলৈ আহ্বান জনায়। ৰাজ্যসভাতো অপাৰেছন সিন্দূৰ আৰু বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ বিষয় লৈ আলোচনা কৰাৰ দাবীত বিৰোধী পক্ষৰ সদস্যসকলে একেধৰণৰ পৰিস্থিতিৰ সৃষ্টি কৰে। দিনৰ এঘাৰ বজাত উচ্চ সদন মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, ডি এম কে, আৰ জে দি, সমাজবাদী পাৰ্টী আৰু অন্য দলৰ সাংসদসকলে ধ্বনি দিবলৈ ধৰে। উপ সভাপতি হৰিবংশে প্ৰতিবাদৰত সদস্যসকলক কাম-কাজ চলাই নিয়াত সহায় কৰিবলৈ আহ্বান জনাই যদিও তেওঁৰ প্ৰচেষ্টা অথলে যায়। হুলস্থুলীয়া পৰিস্থিতিৰ মাজত উপ সভাপতিয়ে সদনৰ কাম-কাজ দুপৰীয়া বাৰ বজালৈ স্থগিত ৰাখে। প্ৰথমবাৰ স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত সদন পুনৰ মিলিত হোৱা সময়ত বিৰোধী পক্ষৰ সদস্যসকলে একেধৰণৰ বিষয় উত্থাপন কৰি সদন উত্তাল কৰি তোলে। হুলস্থূলীয়া পৰিৱেশৰ মাজতে সেই সময়ত সভাপতিৰ আসনত থকা বিজেপি সাংসদ ঘনশ্যাম তিৱাৰীয়ে প্ৰশ্নকাল আগবঢ়াই নিয়াৰ চেষ্টা কৰে যদিও ব্যৰ্থ হয়। ইয়াৰ মাজতে শ্ৰীতিৱাৰীয়ে উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ৰ পদত্যাগ সন্দৰ্ভত গৃহমন্ত্ৰালয়ে প্ৰকাশ কৰা অধিসূচনাৰ বিষয়ে সদনক অৱগত কৰে।

০০০০

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰা হৈছে। ৰাজ্যসভা দিনৰ বাৰ বজাত প্ৰশ্নকালৰ বাবে মিলিত হোৱাৰ ঠিক পাছতে সেই সময়ত সদনৰ পৰিচালনাৰ দায়িত্বত থকা ঘণশ্যাম তিৱাৰীয়ে এই বিষয়ে সদস্যসকলক অৱগত কৰে। উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কালি স্বাস্থ্যজনিত কাৰণৰ দোহাই দি পদ ত্যাগ কৰিছিল। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুলৈ লিখা এখন পত্ৰত শ্ৰীধনখড়ে স্বাস্থ্যক অগ্ৰাধিকাৰ প্ৰদান আৰু চিকিৎসকৰ পৰামৰ্শ পালন কৰাৰ বাবে ততালিকে কাৰ্যকৰী হোৱাকৈ তেওঁ পদ ত্যাগ কৰা বুলি উল্লেখ কৰিছিল।

০০০০

অসম আৰু মেঘালয়ত পাঁচদিনীয়া ভ্ৰমণসূচীৰে আকাশবাণীৰ সঞ্চালকপ্ৰধান ডঃ প্ৰজ্ঞা পালিৱাল গৌড় আজি শ্বিলঙত উপস্থিত হয়। শ্বিলঙলৈ যোৱাৰ পথত সঞ্চালকপ্ৰধানগৰাকীক আজি আকাশবাণীৰ উত্তৰ-পূৰ্বাঞ্চলৰ অতিৰিক্ত সঞ্চালকপ্ৰধান আশীষ ভাটনাগৰ, উপ-সঞ্চালকপ্ৰধান ৰবীন চন্দ্ৰ বড়ো, আকাশবাণী গুৱাহাটীৰ উপ-সঞ্চালকপ্ৰধান ৱালিউল্লা খান, আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰ আৰু আকাশবাণী গুৱাহাটীৰ অনুষ্ঠান বিভাগৰ মুৰববী কাৰ্ডলিন থেংকিউকে ধৰি বিষয়াসকলে আদৰণি জনায়।

কাইলৈ তেওঁ শ্বিলঙত আকাশবাণীৰ ৯০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজিত এটা সংগীতানুষ্ঠানত অংশগ্ৰহণ কৰিব। ২৪ জুলাইত তেওঁ শ্বিলঙত মেঘালয়ৰ আকাশবাণী কেন্দ্ৰসমূহত কাম-কাজৰ পৰ্যালোচনা কৰিব। ২৫ জুলাইৰ বিয়লি ড° পালিৱাল গৌড় গুৱাহাটীলৈ আহিব আৰু ২৬ জুলাইত তেওঁ গুৱাহাটীত অসমৰ আকাশবাণী কেন্দ্ৰসমূহৰ কাম-কাজৰ পৰ্যালোচনা কৰিব। ২৭ জুলাইত তেওঁ নতুন দিল্লীলৈ উভতি যাব।

০০০০

প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰৰ বাবে মনোনয়ন দাখিলৰ সময়সীমা ১৫ আগষ্টলৈ বৃদ্ধি কৰা হৈছে। এই পুৰস্কাৰৰ বাবে ৰাষ্ট্ৰীয় পুৰস্কাৰ পোৰ্টেলৰ জৰিয়তে পহিলা এপ্ৰিলৰ পৰা মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। সাহসীকতা, সমাজ সেৱা, পৰিবেশ, ক্ৰীড়া, কলা-সংস্কৃতি আৰু বিজ্ঞান-প্ৰযুক্তি ক্ষেত্ৰত ৰাষ্ট্ৰীয় পৰ্যায়ৰ স্বীকৃতি লাভৰ যোগ্য শিশুসকলক এই বঁটা প্ৰদান কৰা হয়। ৫ বছৰৰ পৰা ১৮ বছৰ তলৰ শিশু, কিশোৰ-কিশোৰীসকলক এই বঁটাৰ বাবে যোগ্য বুলি বিবেচনা কৰা হয়।

০০০০

বাংলাদেশৰ ৰাজধানী ঢাকাৰ মাইলষ্টন বিদ্যালয় ভৱনত সেনাবাহিনীৰ এখন বিমানে খুন্দা মৰাৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ৩১ লৈ বৃদ্ধি পাইছে। এই ঘটনাত অন্য ১৬৫ জন আহত হৈছে। দেশখনৰ সেনা বাহিনীয়ে আজি এখন প্ৰেছ বিজ্ঞপ্তিযোগে আজি এই কথা প্ৰকাশ কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ লণ্ডনলৈ ৰাওনা হ'ব। ইংলেণ্ডৰ দুদিনীয়া এই ভ্ৰমণৰ সময়ত তেওঁ ব্ৰিটিছ প্ৰধানমন্ত্ৰী কেইৰ ষ্টাৰ্মাৰৰ সৈতে আলোচনাত মিলিত হ'ব আৰু ৰজা তৃতীয় চাৰ্লছক সাক্ষাৎ কৰিব। আজি নতুন দিল্লীত সাংবাদিকৰ আগত বৈদেশিক সচিব বিক্ৰম মিশ্ৰিয়ে কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰত আৰু ব্ৰিটেইনৰ আগশাৰীৰ ব্যৱসায়ীসকলৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব প্ৰধানমন্ত্ৰী মোদীৰ চতুৰ্থটো ইংলেণ্ড ভ্ৰমণ।

বৈদেশিক সচিবগৰাকীয়ে কয় যে এই ভ্ৰমণে দুয়োগৰাকী নেতাক ভাৰত ইংলেণ্ডৰ দ্বিপাক্ষিক সম্পৰ্কৰ সমগ্ৰ দিশসমূহ পৰ্যালোচনা কৰাৰ লগতে ইয়াক আৰু অধিক শক্তিশালী কৰাৰ ব্যৱস্থাসমূহৰ বিষয়ে আলোচনা কৰাৰ সুযোগ দিব। আঞ্চলিক আৰু বিশ্বব্যাপি প্ৰাসংগিক বিষয়সমূহ সন্দৰ্ভতো আলোচনা কৰাৰ কথা আছে। ২০২১ চনত ভাৰত - ইংলেণ্ডৰ অংশিদাৰিত্ব এক বিস্তৃত কৌশলগত অংশিদাৰিত্বলৈ উন্নীত কৰা হৈছিল। তেওঁ লগতে কয়, যে এই অংশিদাৰিত্বক আৰু অধিক উচ্চ পৰ্যায়লৈ লৈ যোৱাৰ বাবে দুয়োপক্ষই প্ৰতিশ্ৰুতিদ্ধ। বৈদেশিক সচিবগৰাকীয়ে কয় যে বাণিজ্য, প্ৰযুক্তি, গৱেষণা আৰু উদ্ভাৱন, দ্বিপাক্ষিক সহযোগিতা মূল বিষয় হিচাপে নিৰ্বাচন কৰা হৈছে।

শ্ৰীমিশ্ৰিয়ে লগতে কয় যে শেহতীয়াকৈ চাউথেপ্টন বিশ্ববিদ্যালয়ে গুৰুগ্ৰামত এটা নিজৰ চৌহদ মুকলি কৰিছে। নতুন শিক্ষানীতিৰ অধীনত ভাৰতত চৌহদ মুকলি কৰা এইখন প্ৰথম বিদেশী বিশ্ববিদ্যালয়। বৈদেশিক সচিবগৰাকীয়ে কয় যে, আন কেইবাখনো ইংলেণ্ডৰ বিশ্ববিদ্যালয়ে ভাৰতত চৌহদ মুকলি কৰাৰ কথা চিন্তা কৰিছে। তেওঁ কয় যে ২০২৩-২৪ চনত ভাৰত ইংলেণ্ডৰ দ্বিপাক্ষিক বাণিজ্যই ৫৫ বিলিয়ন ডলাৰ অতিক্ৰম কৰিছে। বৈদেশিক সচিবগৰাকীয়ে আৰু কয় যে প্ৰতিৰক্ষা খণ্ডত ভাৰত আৰু ইংলেণ্ডৰ মাজত পাৰস্পৰিক ক্ৰীড়া কলাপ চলি আছে।

প্ৰধানমন্ত্ৰী মোদীয়ে ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত মালদ্বীপৰ ৰাষ্ট্ৰপতি মহম্মদ মুইজ্জুৰ আমন্ত্ৰণত ২৫ আৰু ২৬ জুলাইত মালদ্বীপ ভ্ৰমণ কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে মালদ্বীপৰ স্বাধীনতাৰ ৬০ বছৰীয়া জয়ন্তী উপলক্ষে উদ্‌যাপন হ'বলগীয়া অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ০০০

০০০০

যোৱা ১৬ জুনত ৰাজপত্ৰিত অধিসূচনা প্ৰকাশৰ লগে লগে ২০২৭ বৰ্ষৰ লোকপিয়লৰ প্ৰস্তুতি আৰম্ভ হৈছে বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিছে। লোকসভাত আজি এটা লিখিত উত্তৰত গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে কয়, যে এই সন্দৰ্ভত নতুন দিল্লীত যোৱা ৩ আৰু ৪ জুলাইত এখন দুদিনীয়া সন্মিলনৰ আয়োজন কৰা হৈছিল। এই সন্মিলনত লোক পিয়ল পৰিচালন সঞ্চালক, লোকপিয়ল সঞ্চালকালয়ৰ জ্যেষ্ঠ বিষয়া, মহাপঞ্জীয়ক আৰু লোকপিয়ল আয়ুক্তসকলেও অংশগ্ৰহণ কৰে। সন্মিলনত আসন্ন লোকপিয়লৰ ৰূপৰেখা আৰু ইয়াৰ সৈতে জড়িত কাম-কাজৰ বিষয়ে আলোচনা কৰা বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

ভাৰতৰ মহিলা ক্ৰিকেট দল সম্প্ৰতি ছেষ্টৰ লী ষ্ট্ৰীটত চলিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত ঘৰুৱা দল ইংলেণ্ডৰ  বিৰুদ্ধে অৱতীৰ্ণ হৈছে। ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ আমালৈ বাতৰি অহাৰ পৰলৈকে ২৫ অভাৰত দুটা উইকেট হেৰুৱাই ১১৫ ৰান সংগ্ৰহ কৰি খেলি আছিল। শৃংখলাটো সম্প্ৰতি ১- ১ ফলাফলত ড্ৰ হৈ আছে।

০০০০

সমাপ্ত